# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-10-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin

::::::::::::::::::::::::::::::::

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱৰ সৈতে সংগতি ৰাখি মহাপুৰুষজনাৰ এটা বৰগীত সিংহলী ভাষালৈ অনুবাদ কৰি বাণীবদ্ধ ৰূপত আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। কলম্বোত থকা ভাৰতীয় উচ্চ আয়োগৰ সাংস্কৃতিক শাখা স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰই এই পদক্ষেপ গ্ৰহণ কৰে। কেন্দ্ৰটোৰ অধ্যাপক অংকুৰণ দত্তই এই অনুষ্ঠানৰ তদাৰক কৰে। কলম্বোত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰিবলৈ পাই অধ্যাপক দত্তই গৌৰৱ অনুভৱ কৰা বুলি প্ৰকাশ কৰে। নাৰায়ণ কাহে ভকতি কৰু তেৰা শীৰ্ষক এই বৰগীতটো গুৰুজনাৰ জন্মোৎসৱৰ অনুষ্ঠানত প্ৰথমবাৰৰ বাবে অনুবাদ কৰি পৰিবেশন কৰা হয়। আজি শ্ৰীলংকাত থকা ভাৰতৰ উচ্চায়ুক্ত ড০ সত্যঞ্জল পাণ্ডে বৰগীতটোৰ শ্ৰব্য চিডি মুকলি কৰে। আনহাতে অধ্যাপক দত্তই এই অনুষ্ঠানত বৰগীতটো মূল ৰূপতে খোল বজাই পৰিবেশন কৰে। সিংহলী সংস্কৰণটো কলম্বোৰ ভিজুৱেল এণ্ড পাৰ্ফৰ্মিং আৰ্টছ বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক অছিত আথাপথুৱে পৰিবেশন কৰে।

০০০০

ৰাজ্যখনৰ তৃণমূল স্তৰৰ পৰাৰ ক্ৰীড়া প্ৰতিভা চিনাক্তকৰণ আৰু বিকাশৰ বাবে দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ শীঘ্ৰে আৰম্ভ হ'ব। আজি মন্ত্ৰী বিমল বৰাই এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, এই কাৰ্যসূচীৰ প্ৰতি জনসাধাৰণৰ ব্যাপক উৎসাহ আৰু অংশগ্ৰহণৰ ফলস্বৰূপে এতিয়ালৈ ১০ লাখতকৈ অধিক অনলাইন আবেদন পোৱা গৈছে। এই প্ৰতিযোগিতাই ৰাজ্যখনৰ ক্ৰীড়া প্ৰতিভাৰ উত্তৰণৰ দিশত বিশেষ গুৰুত্ব বহন কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০

ধুবুৰীৰ প্ৰাক্তন সাংসদ তথা অসম ৰাজ্যিক জমিয়ত ওলামাৰ সভাপতি মৌলানা বদৰুদ্দিন আজমলৰ নাম একেৰাহে যোড়শবাৰৰ বাবে এইবাৰৰ বিশ্বৰ ৫০০ গৰাকী প্ৰভাৱশালী ইছলামধৰ্মী ব্যক্তিৰ তালিকাত অন্তৰ্ভুক্ত হৈছে। এইবাৰৰ The world's 500 most influential muslim 2025ত বদৰুদ্দিন আজমলে ১৮৬ সংখ্যক স্থান লাভ কৰিছে। উল্লেখযোগ্য যে, তেওঁৰ নেতৃত্বত পূব এছিয়াৰ বৃহত্তম গ্ৰাম্য চিকিৎসালয় **হাম** হাস্পতালৰ লগতে ৰাজ্যত চাৰিখন দাঁতব্য চিকিৎসালয়, হোজাইত মৰিয়ম আজমল উইমেনছ কলেজ অফ ছাইন্সে এণ্ড টেকন'ল'জীকে ধৰি বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠান আৰু সামাজিক সংস্থা গঠন হৈছে। বিশ্বৰ ৫০০ গৰাকী প্ৰভাৱশালী মুছলিম ব্যক্তিৰ তালিকাত স্থান লাভ কৰাৰ বাবে আজমল ফাউণ্ডেছন মুখ্য ন্যাসৰক্ষী তথা বিধায়ক ছিৰাজুদ্দিন আজমলে মৌলানা বদৰুদ্দিন আজমললৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত বিগত বছৰৰ দৰে এইবছৰো বিশিষ্ট সাহিত্যিক আৰু প্ৰকাশকসকললৈ **প্ৰকাশন পৰিষদ সাহিত্য বঁটা ২০২৪** প্ৰদানৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ২০২১ চনৰ ১ জানুৱাৰীৰ পৰা ২০২৩ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত প্ৰকাশিত উপন্যাস, গল্প, নাটক আৰু কাব্যগ্ৰন্থৰ মাজৰ পৰা নিৰ্বাচিত গ্ৰন্থখনৰ লেখক আৰু প্ৰকাশক দুয়োগৰাকীকে পুৰস্কৃত কৰা হ'ব। আজি এটা বিবৃতিযোগে পৰিষদৰ সচিব প্ৰমোদ কলিতাই জানিবলৈ দিয়া মতে এই বঁটা গ্ৰন্থৰ লেখকক ৫ লাখ টকাৰ সৈতে মানপত্ৰ আৰু প্ৰকাশকক ৩ লাখ টকাৰ লগতে মানপত্ৰ প্ৰদান কৰা হ'ব। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰকাশিত উপন্যাস, গল্প, নাটক আৰু কাব্যগ্ৰন্থৰ লেখক অথবা প্ৰকাশকৰ যিকোনো এগৰাকীয়ে প্ৰ-পত্ৰ পূৰণ কৰি প্ৰেৰণ কৰিব পাৰিব। প্ৰ-পত্ৰৰ সৈতে গ্ৰন্থৰ চাৰিটা কপি অহা ১৫ নৱেম্বৰৰ ভিতৰত পোৱাকৈ প্ৰেৰণ কৰিব লাগিব। প্ৰ-পত্ৰ assampublicationboard@gmail.com-ৰ জৰিয়তে প্ৰেৰণ কৰাৰ উপৰি ডাকযোগেও প্ৰ-পত্ৰৰ সৈতে গ্ৰন্থৰ চাৰিটা কপি প্ৰেৰণ কৰিব পাৰিব। প্ৰ-পত্ৰখন অসম প্ৰকাশন পৰিষদৰ ৱেবছাইট www.publicationboardassam.com-ত উপলব্ধ হ'ব বুলি সচিবগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

কেন্দ্ৰীয় মন্ত্ৰী তথা অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত আজি গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অসম অলিম্পিক সন্থাৰ নৱগঠিত কাৰ্যনিৰ্বাহক পৰিষদৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত অনাগত সময়ত ৰাজ্যখনত ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলসমূহত প্ৰতিনিধিত্ব কৰিব পৰাকৈ অধিকসংখ্যক ক্ৰীড়া প্ৰতিভা পোহৰলৈ অনাৰ বাবে এটা কাৰ্যকৰী গোট গঠনৰ সিদ্ধান্ত লোৱা হয়। ক্ৰীড়া বিশেষজ্ঞ আৰু প্ৰবীন খেলুৱৈসকলক লৈ এই গোটটো গঠন কৰা হ'ব বুলি শ্ৰী সোণোৱালে প্ৰকাশ কৰে। তদুপৰি অনাগত সময়ত ক্ৰীড়া প্ৰতিযোগিতাৰ অয়োজন সন্দৰ্ভতো আলোচনা কৰা হয়। বৈঠকত অলিম্পিক পদক বিজয়ী লাভলীনা বৰগোহাঁইৰ নামত এটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজনৰ সিদ্ধান্ত লোৱা হয়। তদুপৰি দিনযোৰা কাৰ্যসূচীৰে ক্ৰীড়া অভিৱৰ্তন আৰু ২৩ জুনত ডিফুত অসম অলিম্পিক দিৱস আয়োজনৰ বাবে বৈঠকত সিদ্ধান্ত লোৱা হয়।

এই বৈঠকত উত্তৰাখণ্ডত হ'বলগীয়া পৰৱৰ্তী ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বাবে অসমৰ দলটোৰ প্ৰস্তুতি আৰু আনুষংগিক দিশসমূহ পৰ্যালোচনা কৰা হয়।

০০০০

উত্তৰ লখিমপুৰ নগৰৰ দণ্ডেশ্বৰ গগৈ উপপথৰ ৪ নম্বৰ ৱাৰ্ড নিৱাসী লখিমপুৰৰ বিশিষ্ট শিক্ষাবিদ ত্ৰিনয়ণ দত্তৰ কালি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৩ বছৰ।

০০০০

সমাপ্ত